**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-05-2025
**Time :** 0705 Hrs

***Assamese Morning Bulletin***
***Headlines***

ooooo

১। অপাৰেচন সিন্দুৰ সন্দৰ্ভত ভাৰতৰ কূটনৈতিক কাৰ্যসূচীৰ অংশ হিচাপে বিদেশলৈ যাবলগীয়া ৭টা সৰ্বদলীয় প্ৰতিনিধি মণ্ডলৰ প্ৰথমটো গোট আজি ৰাওনা হ'ব।

২। গৃহ মন্ত্ৰালয়ে ২০২৬ বৰ্ষৰ পদ্ম সন্মানসমূহৰ বাবে ৩১ জুলাই পৰ্যন্ত মনোনয়ন দাখিল কৰিবলৈ আহ্বান জনাইছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফেডাৰেল ৰিপাব্লিক অব জাৰ্মানীৰ চেন্সেলৰ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে ফ্ৰেডৰিক মাৰ্জক শুভেচ্ছা জ্ঞাপন কৰে।

৪। ৰাছিয়া আৰু ইউক্ৰেইনে যুদ্ধবিৰতি তথা যুদ্ধৰ সম্ভাব্য অৱসানৰ বাবে প্ৰত্যক্ষ আলোচনা আৰম্ভ কৰিব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

অপাৰেচন সিন্দুৰ সন্দৰ্ভত ভাৰতৰ কূটনৈতিক কাৰ্যসূচীৰ অংশ হিচাপে বিদেশলৈ যাবলগীয়া ৭টা সৰ্বদলীয় প্ৰতিনিধি মণ্ডলৰ প্ৰথমটো গোট আজি ৰাওনা হ'ব। শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেৰ নেতৃত্বত প্ৰথমটো দলে সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ, লাইবেৰিয়া, ডেম'ক্ৰেটিক ৰিপাব্লিক অব কংগো আৰু চিয়েৰা লিয়ন ভ্ৰমণ কৰিব। জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝা আৰু ডি এম কেৰ সাংসদ কানিমুঝি কৰুণানিধিৰ নেতৃত্বত আন দুটা দল কাইলৈ ৰাওনা হ'ব। সঞ্জয় ঝাৰ নেতৃত্বৰ প্ৰতিনিধি দলটোৱে ইণ্ডোনেছিয়া, মালয়েছিয়া, কোৰিয়া, জাপান আৰু ছিংগাপুৰ ভ্ৰমণ কৰাৰ বিপৰীতে কানিমুঝিৰ নেতৃত্বৰ দলটোৱে স্পেইন, গ্ৰীচ, শ্লোভেনিয়া, লাটভিয়া আৰু ৰাছিয়া ভ্ৰমণ কৰিব। এই ১০ দিনীয়া ভ্ৰমণকালত ভাৰতৰ প্ৰতিনিধিসকলে  সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ সহমতৰ বিষয়ে বিশ্বক অৱগত কৰিব। ইয়াৰ জৰিয়তে তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক ভাৰতৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূণ্য সহনশীলতাৰ শক্তিশালী বাৰ্তাও প্ৰেৰণ কৰিব। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কালি নতুন দিল্লীৰ সংসদ ভৱনত তিনিওটা প্ৰতিনিধি দলৰ সদস্যসকলৰ বিষয়ে অৱগত কৰে।

ooooo

গৃহ মন্ত্ৰালয়ে ২০২৬ বৰ্ষৰ পদ্ম সন্মানসমূহৰ বাবে মনোনয়ন আহ্বান কৰিছে। এই সন্মানসমূহৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে ৩১ জুলাই পৰ্যন্ত মনোনয়ন দাখিল কৰিব পৰা যাব। ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত উপলব্ধ আৰ্হিত ভিন ভিন ক্ষেত্ৰৰ মনোনীত ব্যক্তিৰ অভূতপূৰ্ব সাফল্যৰ স্পষ্ট বৰ্ণনাত্মক প্ৰশংসা সহ সবিশেষ বিৱৰণ মনোনয়ন-পত্ৰত সন্নিবিষ্ট কৰিব লাগিব বুলি মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে। পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী দেশৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহৰ অন্যতম। ১৯৫৪ চনত প্ৰৱৰ্তন কৰা এই সন্মানসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱসত ঘোষণা কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজ সেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, ৰাজহুৱা পৰিক্ৰমা, অসামৰিক সেৱা, বাণিজ্য আৰু উদ্যোগকে ধৰি বিভিন্ন ক্ষেত্ৰত লাভ কৰা উল্লেখনীয় সাফল্যৰ সন্মানস্বৰূপে এই বঁটা প্ৰদান কৰা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফেডাৰেল ৰিপাব্লিক অব জাৰ্মানীৰ চেন্সেলৰ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে ফ্ৰেডৰিক মাৰ্জক শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে তেওঁ চেন্সেলৰ ফ্ৰেডৰিক মাৰ্জৰ সৈতে টেলিফোনেৰে কথা পাতে আৰু নতুন কাৰ্যকালৰ বাবে তেওঁক অভিনন্দন জনায়। এই বাৰ্তালাপৰ সময়ত ভাৰত আৰু জাৰ্মানীৰ মাজৰ কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়েও দুয়োগৰাকীয়ে পুনৰ নিশ্চিত প্ৰদান কৰে। তেওঁলোকে আঞ্চলিক আৰু বিশ্ব উন্নয়নৰ বিভিন্ন দিশ সন্দৰ্ভতো মত-বিনিময় কৰে। বিশ্বৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে দুয়োখন দেশে একত্ৰিতভাৱে থিয় দি আছে বুলি তেওঁ লগতে প্ৰকাশ কৰে। বৈদেশিক মন্ত্ৰালয়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তি অনুসৰি বিগত ২৫ বছৰত ভাৰত আৰু জাৰ্মানীৰ মাজত কৌশলগত সহযোগিতাৰ অভূতপূৰ্ব অগ্ৰগতি সন্দৰ্ভত আলোকপাত কৰি দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা আৰু সুৰক্ষা তথা উদ্ভাৱন আৰু প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে সহযোগিতাৰে কাম কৰি যাবলৈ সন্মতি প্ৰকাশ কৰে। জাৰ্মানীত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ ইতিবাচক অৰিহনাৰ বিষয়েও তেওঁলোকে আলোচনা কৰে। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভতো মত-বিনিময় কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে চেন্সেলৰ মাৰ্জক ভাৰত ভ্ৰমণৰ বাবে আমন্ত্ৰণ জনায়।

০০০০০

ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলক ফল পকোৱাৰ উদ্দেশ্যে অনুঘটক আৰু কৃত্ৰিম ৰং অথবা মমৰ ব্যৱহাৰ বন্ধ কৰাৰ বাবে নিৰীক্ষণ ত্বৰান্বিত কৰিবলৈ আৰু বিশেষ অভিযান চলাবলৈ আহ্বান জনাইছে। প্ৰাধিকৰণে এখন জাননীযোগে ফল পকাবৰ বাবে ব্যৱহাৰ কৰা কেলছিয়াম কাৰ্বাইডৰ দৰে অনুঘটকসমূহৰ অবৈধ ব্যৱহাৰ বন্ধ কৰিবলৈ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ খাদ্য সুৰক্ষা আয়ুক্তৰ লগতে ভাৰতীয় খাদ্য সুৰক্ষা আৰু মান প্ৰাধিকৰণৰ আঞ্চলিক সঞ্চালকসকলক ফলৰ পাইকাৰী আৰু খুচুৰা বজাৰৰ ওপৰত সূক্ষ্ম দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিছে। প্ৰাধিকৰণে লগতে ফল পকোৱাৰ নিৰাপদ প্ৰক্ৰিয়া মানি চলিবলৈ ব্যৱসায়ীসকলৰ প্ৰতি আহ্বান জনাইছে। নিৰ্ধাৰিত মান উলংঘা কৰাসকলৰ বিৰুদ্ধে ২০০৬ চনৰ খাদ্য সুৰক্ষা আৰু মান আইনৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰাধিকৰণে সকিয়াই দিছে।

০০০০০

ৰাছিয়া আৰু ইউক্ৰেইনে যুদ্ধবিৰতি তথা যুদ্ধৰ সম্ভাব্য অৱসানৰ বাবে প্ৰত্যক্ষ আলোচনা আৰম্ভ কৰিব বুলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰিছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে দুঘণ্টাজোৰা টেলিফোনিক বাৰ্তালাপৰ পাছতেই ট্ৰাম্পে এই কথা ঘোষণা কৰিছে। ট্ৰাম্পে কয় যে তেওঁলোকৰ মাজৰ এই আলোচনা ইতিবাচক আছিল আৰু আলোচনাৰ বাবে দুয়োপক্ষ সাজু।

সামাজিক মাধ্যমৰ এটা পোষ্টত ট্ৰাম্পে প্ৰকাশ কৰিছে যে দুয়োখন দেশে আলোচনাৰ বিষয়টো নিজেই আগবঢ়াই নিব। যুদ্ধৰ পাছত আমেৰিকাৰ সৈতে গুৰুত্বপূৰ্ণ বাণিজ্য চুক্তি কৰিবলৈ ৰাছিয়া আগ্ৰহী বুলিও তেওঁ লগতে প্ৰকাশ কৰে। তেওঁ কয় যে ইয়াৰ ফলত বৃহৎ পৰিমাণৰ নিয়োগ আৰু সম্পদৰ সৃষ্টি হ'ব।

এই টেলিফোনিক বাৰ্তালপৰ পাছত ট্ৰাম্পে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কি, ইউৰোপীয় সংঘৰ নেতা আৰু অন্যান্যসকলকে ধৰি বিশ্বৰ শীৰ্ষ নেতাসকলক এই বিষয়ে অৱগত কৰে। নৱনিৰ্বাচিত পোপ - লিঅ' চতুৰ্দশ নেতৃত্বাধীন ভেটিকানে এই আলোচনাৰ আয়োজন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

ইপিনে, পুটিনে নিশ্চিতি প্ৰদান কৰি কৈছে যে সম্ভাব্য শান্তি চুক্তিৰ বাবে ইউক্ৰেইনৰ সৈতে কাম কৰিবলৈ মস্কো সাজু হৈ আছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে দুয়োখন দেশৰ মাজত সংঘাত চলি থকাৰ সময়তেই শান্তিৰ কাৰ্যকৰী পথসমূহ চিনাক্তকৰণৰ প্ৰয়োজন সন্দৰ্ভত আলোকপাত কৰে।

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে এখন বিজ্ঞপ্তিত প্ৰকাশ কৰা মতে তুৰ্কীয়ে, ছুইজাৰলেণ্ড অথবা ভেটিকানত শান্তি আলোচনা অনুষ্ঠিত কৰিবলৈ ইউক্ৰেইন সাজু আছে। তেওঁ সম্পূৰ্ণ চৰ্তহীন যুদ্ধবিৰতিৰ বাবে আহ্বান জনায় আৰু সঠিক সিদ্ধান্তৰ বাবে ইউক্ৰেইন সাজু আছে বুলি প্ৰকাশ কৰে। জেলেনস্কিয়ে এই গুৰুত্বপূৰ্ণ আলোচনাৰ বাবে একে ধৰণৰ সদিচ্ছা প্ৰকাশ কৰিবলৈ ৰাছিয়াৰ প্ৰতি আহ্বান জনায়।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনৰ বাবে ১৭ হাজাৰ ৫০০ কোটি ডলাৰৰ গোল্ডেন ডোম ক্ষেপনাস্ত্ৰ প্ৰতিৰক্ষা কবচ নিৰ্মাণৰ কথা ঘোষণা কৰিছে। চীন আৰু ৰাছিয়াৰ সম্ভাব্য ভাবুকি প্ৰতিহত কৰাৰ লক্ষ্যৰে এই অভিলাষী প্ৰকল্প আৰম্ভ কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ বাহিনীৰ জেনেৰেল মাইকেল গুৰেটলিনক এই প্ৰকল্পৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছে। হোৱাইট হাউছত যোৱা নিশা এখন সংবাদমেলত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয় যে গোল্ডেন ডোমে মহাকাশ অথবা অন্য ৰাষ্ট্ৰৰ পৰা নিক্ষেপ কৰা ক্ষেপনাস্ত্ৰকে ধৰি দীৰ্ঘ দূৰত্বৰ ক্ষেপনাস্ত্ৰসমূহৰ পৰা দেশখনক সুৰক্ষা প্ৰদান কৰিব। ইজৰাইলৰ লৌহ ডোমৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই পদক্ষেপ লোৱা হৈছে যদিও এই সুৰক্ষা ব্যৱস্থা ইজৰাইলতকৈ বৃহৎ পৰিসৰত গঢ়ি তোলা হ'ব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। গোল্ডেন ডোমৰ জৰিয়তে আক্ৰমণৰ বাবে অহা ক্ষেপনাস্ত্ৰসমূহ চিনাক্ত কৰি ইয়াক প্ৰতিহত কৰাৰ বাবে শতাধিক উপগ্ৰহ স্থাপন কৰিব পৰা যাব। শ্ৰীট্ৰাম্পে কয় যে এই প্ৰকল্প ২০২৯ চনৰ জানুৱাৰীত তেওঁৰ কাৰ্যকাল অন্ত পৰালৈকে সম্পূৰ্ণ কৰা হ'ব। অৱশ্যে ঔদ্যোগিক বিশেষজ্ঞসকল এই নিৰ্ধাৰিত সময়সীমা আৰু প্ৰকল্প ব্যয়ক লৈ নিশ্চিত নহয় বুলিও তেওঁ প্ৰকাশ কৰে। কানাডাইও এই প্ৰকল্পত যোগদান কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে উল্লেখ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৮৮ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ এটা বলতে চাৰিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ বৈভৱ সূৰ্যবংশীয়ে সৰ্বাধিক ৫৭ আৰু সঞ্জু ছেমচনে ৪১ ৰাণ কৰে। চেন্নাইৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ৰাজস্থানে টছত জিকি চেন্নাইক বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। চেন্নাইয়ে নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ১৮৭ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ আয়ুশ্ব মাহত্ৰেই ৪৩ ৰাণ কৰে। ৰাজস্থান ৰয়েলছৰ যুধবীৰ সিং চাৰাক আৰু আকাশ মাধৱালে তিনিটাকৈ উইকেট দখল কৰে। আকাশ মাধৱালক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ, ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ooooo

জাৰ্মানীৰ ছুলত চলি থকা আই এছ এছ এফ জুনিয়ৰ বিশ্বকাপত ভাৰতৰ আদ্ৰিয়ান কৰ্মকাৰে ৫০ মিটাৰ ৰাইফল প্ৰ'ন শিতানত ৰূপৰ পদক অৰ্জন কৰি দেশৰ হৈ পদক লাভৰ অভিযান আৰম্ভ কৰিছে। ২০ বছৰীয়া খেলুৱৈগৰাকীয়ে কালি ৬২৬ দশমিক ৭ পইণ্টেৰে দ্বিতীয় স্থান লাভ কৰে। এই শিতানত ছুইডেনৰ জেছপাৰ জোহানছনে ভাৰতীয় খেলুৱৈগৰাকীতকৈ মাত্ৰ দশমিক ৩ পইণ্ট অধিক লাভ কৰি সোণৰ পদক অৰ্জন কৰে। এই শিতানত আদ্ৰিয়ানৰ প্ৰদৰ্শনে ৰাষ্ট্ৰীয় জুনিয়ৰৰ নতুন অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে।

ooooo

সমাপ্ত